# প্ৰেছ বিজ্ঞপ্তি

সনাতন কোচ স্মাৰক শ্ৰেষ্ঠ তীৰন্দাজ প্ৰতিযোগিতাঃ

কামতাপুৰ এশ্বোচিয়েশ্বন আৰু ‘চেণ্টাৰ ফৰ কোচ ৰাজবংশী ষ্টাডিজ এণ্ড ডেভালাপমেণ্ট’ উদ্যেগত

খেল-ধেমালিৰ মাজৰে সমাজত সমন্বয় আৰু শান্তিৰ বাতাবৰণ সৃষ্টি কৰাৰ প্ৰয়াসেৰে তথা কোচ ৰাজবংশীসকলৰ পৰম্পৰাগত ধনু-কাড় খেলক সংৰক্ষণ আৰু জনপ্ৰিয় কৰাৰ মহান উদ্দেশ্যে সন্মুখত ৰাখি আগবাঢ়ি আহিছে ‘চেণ্টাৰ ফৰ কোচ ৰাজবংশী ষ্টাডিজ এণ্ড ডেভালাপমেণ্ট’ আৰু ‘কামতাপুৰ এশ্বোচিয়েশ্বন’ নামৰ অনুষ্ঠান দুটি। উল্লেখযোগ্য যে এসময়ত কোচ ৰাজবংশীসকল ধৰ্নুবিদ্যাত অতি পাকৈত আছিল যদিও পৰিবৰ্তিত ৰাজনৈতিক আৰু সামাজিক পৰিৱেশত তেওঁলোকে এই বিদ্যা চৰ্চা কৰিবলৈ এৰি দিয়ে। এতিয় শেহতীয়াকৈ আচৰ্বী খেলৰ জনপ্ৰিয়তা আৰু প্ৰয়োজনীয়তা উপলব্ধ কৰি তথা কোচ ৰাজবংশীসকলৰ মাজত খেলুৱৈসূলভ মানসিকতাৰ সৃষ্টি কৰাৰ প্ৰয়াসেৰে অহা ৩০ চেপ্তেম্বৰ তাৰিখে ধুবুৰী জিলাৰ ফুটকিবাৰীত মহা আৰম্বৰে সনাতন কোচ স্মাৰক শ্ৰেষ্ঠ তীৰন্দাজ প্ৰতিযোগিতাৰ আয়োজন কৰিছে ‘চেণ্টাৰ ফৰ কোচ ৰাজবংশী ষ্টাডিজ এণ্ড ডেভালপমেণ্ট’ (কোচ ৰাজবংশী অধ্যয়ন আৰ’ উন্নয়ন কেন্দ্ৰ)ৰ উদ্যেগত ‘কামতাপুৰ এশ্বোচিয়েশ্বন’-এ। এই প্ৰতিযোগিতাৰ আন এক উদ্দেশ্য হ’ল, ইতিহাসৰ পাতত হেৰাই যোৱা এজন মহান বিপ্লৱী সনাতন কোচক শ্ৰদ্ধা জ্ঞাপন কৰা। সেই বাবেই এই প্ৰতিযোগিতাৰ নাম ৰখা হৈছে ‘সনাতন কোচ স্মাৰক শ্ৰেষ্ঠ তীৰন্দাজ প্ৰতিযোগিতা’।

আজিৰ বজালী অঞ্চলৰ দৈহিংৰী গাঁওৰ সনাতন কোচ ১৭ শতিকাৰসেইজন অন্যতম বীৰ-বিপ্লবী যোদ্ধা যাৰ বিদ্ৰোহে সৃষ্টি কৰা হেঁচাৰ ফলত মোগল সম্ৰাট চাহজাহানে কোচ হাজোৰ ৰজা পৰিক্ষীত নাৰায়নক মুকলি কৰি দিবলৈ বাধ্য হৈছিল। উল্লেখ্য যে, ১৬ শতিকাৰ শেষৰ ফালে বিশাল কোচ ৰাষ্ট্ৰখন (কামতাপুৰ) কোচ বেহাৰ আৰু কোচ হাজো-এই দুইভাগত কোচ ৰাজপৰিয়ালৰ মাজত বিভক্ত হৈ পৰে। কোচ বিহাৰৰ ৰজা লক্ষ্মীনাৰায়ণে ভতিজাক পৰিক্ষীত নাৰায়ণৰ কোচ হাজো ৰাজ্য দখল কৰাৰ মানসেৰে মোগলৰ সহায় লৈ কোচ হাজো আক্ৰমণ কৰে। যুদ্ধত বীৰত্ব প্ৰদৰ্শন কৰিও পৰিক্ষীত নাৰায়ণ মোগলৰ হাতত বন্দী হয়। এই জনপ্ৰিয় ৰজাৰ বন্দীত্বত কোচ হাজো ৰাজ্যৰ কে’বা ঠাইতো কে’বাজনো কোচ সামন্তই বিদ্ৰেহ ঘোষনা কৰে। সনাতন কোচ ইয়াৰ ভিতৰত আগৰণুৱা আছিল আৰু তেওঁৰ নেতৃত্বতেই বজালী অঞ্চলৰ ৰাইজে মোগলৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছিল। ‘চেণ্টাৰ ফৰ কোচ ৰাজবংশী ষ্টাডিজ এণ্ড ডেভালপমেণ্ট’ আৰু কামতাপুৰ এশ্বোচিয়েশ্বন-এ আশা কৰিছে এই প্ৰতিযোগিতাৰ জৰিয়তে কোচ ৰাজবংশীসকলে তেওঁলোকৰ হেৰোৱা পৰম্পৰা এটি উদ্ধাৰ কৰাৰ লগতে অসমৰ ইতিহাসত হেৰাই যোৱা এজন বীৰ যোদ্ধাৰ প্ৰতিও সন্মান যাচিব পাৰিব।

ধন্যবাদেৰে,

বিক্ৰম ৰাজখোৱা
সভাপতি,
‘চেণ্টাৰ ফৰ কোচ ৰাজবংশী ষ্টাডিজ এণ্ড ডেভালপমেণ্ট’
গুৱাহাটী

ভবেশ চন্দ্ৰ ৰয়
সাধাৰণ সাম্পদক
কামতাপুৰ এশ্বোচিয়েশ্বন